জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০২/২০২০

## বৰাক উপত্যকাৰ বানপানী, ভূমিস্খলন আৰু ক'ভিড-১৯ ব্যৱস্থাপনাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যখনৰ ভূমিস্খলনপ্ৰৱণ এলেকা চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে অতিশীঘ্ৰে ভাৰতীয় ভূতাত্বিক জৰীপ বিভাগৰ জৰিয়তে জৰীপ চলোৱাৰ ব্যৱস্থা কৰিব ঃ মুখ্যমন্ত্ৰী

## চক্ৰ বিষয়া পৰ্যায়ত ভূমিস্খলন নিৰীক্ষণ আৰু সঁহাৰি গোট গঠন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৪ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ উপায়ুক্ত কেইগৰাকীক চক্ৰ বিষয়া পৰ্যায়ত ভূমিস্খলন নিৰীক্ষণ আৰু সঁহাৰি গোট গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। এই গোটত আৰক্ষী, এছ ডি আৰ এফ আৰু বন বিভাগৰ লোককো জড়িত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজি বৰাক উপত্যকাৰ বানপানী, ভূমিস্খলন আৰু ক'ভিড-১৯ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে কাছাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত তিনিখন সুকীয়া সুকীয়া বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলাকেইখনৰ প্ৰশাসনক এই নিৰ্দেশ দিয়ে। জিলাকেইখনৰ ভূমিস্খলনপ্ৰৱণ স্পৰ্শকাতৰ এলেকাসমূহৰ বাসিন্দাসকলক অতিশীঘ্ৰে সুৰক্ষিত স্থানলৈ স্থানান্তৰৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ ভূমিস্খলনপ্ৰৱণ এলেকা চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে অতিশীঘ্ৰে ভাৰতীয় ভূতাত্বিক জৰীপ বিভাগৰ জৰিয়তে জৰীপ চলাব। যাতে ভূমিস্খলনৰ ফলত জনসাধাৰণৰ প্ৰাণহানিৰ লেখীয়া ঘটনা সংঘটিত হ'ব নোৱাৰে। আজিৰ এই বৈঠকত উপায়ুক্তকেইগৰাকীয়ে জিলাকেইখনত বানপানী, গৰাখহনীয়া, ভূমিস্খলন আৰু ক'ভিড-১৯ৰ সম্পৰ্কত জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ যাতায়াতৰ সুবিধাৰ্থে ৰাজ্যখনত ১.৩২ লাখ খন বাছৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগে ক'ভিড-১৯ সম্পৰ্কত দিয়া নিৰ্দেশাৱলী মানি চলাৰ বাবে জনসচেতনতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। জনসাধাৰণে যাতে সামাজিক দূৰত্ব ৰক্ষা কৰে, মাস্ক পৰিধান কৰে আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে সেই সন্দৰ্ভত অধিক জনসচেতনতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত শিলচৰ মেডিকেল কলেজৰ অধ্যক্ষগৰাকীয়ে প্ৰতিদিনে ১০০০ গৰাকী ব্যক্তিক ক'ভিড-১৯ পৰীক্ষা কৰাৰ বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ লগত জড়িত

লোকসকলক উৎসাহিত কৰিবলৈও প্ৰশাসনক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে খাদ্য-অসামৰিক আৰু যোগান বিভাগৰ বিষয়াসকলক গুণগত মান-সম্পন্ন খাদ্য যোগান সুনিশ্চিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানপানীৰ বাবে স্থাপন কৰা সাহায্য শিবিৰসমূহত উপযুক্ত খাদ্য যোগান ধৰাৰ উপৰি সামাজিক দূৰত্ব যাতে বজাই ৰাখে তাক সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বজ্ৰপাতৰ যাতে আগতীয়া আগজাননী আধা ঘন্টা আগত লাভ কৰিব পাৰে সেই দিশতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বানপানীৰ সময়ত পশুখাদ্য যোগান ধৰাৰ বাবেও পশুপালন বিভাগক নিৰ্দেশ দিয়ে।

বৰাক উপত্যকাৰ জিলাকেইখনত ক'ভিড-১৯ ৰ বিৰুদ্ধে চলা এই যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব দি অহা মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদদ্বয় ৰাজদ্বীপ ৰয় আৰু কৃপানাথ মাল্লা, বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, বিধায়কসকল, উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকল তথা স্বাস্থ্য বিভাগকে ধৰি প্ৰতিটো জৰুৰীকালীন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকে আগবঢ়োৱা অকৃত্ৰিম সেৱাৰ বাবেই সৰ্বসাধাৰণ ৰাইজৰ মনোবল বৃদ্ধি পাইছে। এইক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত ৰাইজ আশ্বস্ত হৈছে। সকলোৱে একেলগে দলগত মানসিকতাৰে এই সংকটৰ বিৰুদ্ধে যুঁজ দি বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

কাইলৈ উদ্‌যাপিত হ'বলগীয়া বিশ্ব পৰিৱেশ দিৱস উপলক্ষে উপায়ুক্তৰ কাৰ্যালয়ত সমবেত ৰাইজৰ মাজত মুখ্যমন্ত্ৰীয়ে আজি গছপুলিও বিতৰণ কৰে। এই বাৰিষাৰ বতৰত ৰাজ্যৰ বন বিভাগে ডেৰ কোটি গছপুলি ৰোপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰাৰ প্ৰসংগ উল্লেখ কৰি অহা ডেৰ মাহৰ ভিতৰত অঞ্চলটোৰ প্ৰতিগৰাকী সাংসদ, বিধায়ক, উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিগৰাকীকে একোজোপাকৈ গছপুলি ৰোপন কৰি নিজকে প্ৰকৃতাৰ্থতেই প্ৰকৃতিপ্ৰেমী হিচাপে পৰিচয় দিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

বৰাক উপত্যকাত অলপতে সংঘটিত ভূমিস্খলনত নিহত হোৱা প্ৰতিগৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ মুখ্যমন্ত্ৰীয়ে সাহায্যৰ চেকো আগবঢ়ায়।

আজিৰ এই বৈঠকত বন আৰু পৰিৱেশ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদ্বীপ ৰয়, কেইবাগৰাকীও বিধায়ক, জিলা কেইখনৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**৪/৬/২০২০**